জানাযা লৈ যোৱাৰ সময়ত তোমালোকে দ্ৰুত গতিত লৈ যাবা, কিয়নো যদি তেওঁ নেক ব্যক্তি হয় তেন্তে তোমালোকে তেওঁক কল্যাণৰ দিশত লৈ গৈ আছা, আৰু যদি তেওঁ বেলেগ কিবা হয় তেন্তে তোমালোকে নিজৰ কান্ধৰ পৰা অকল্যাণ দূৰ কৰিলা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "জানাযা লৈ যোৱাৰ সময়ত তোমালোকে দ্ৰুত গতিত লৈ যাবা, কিয়নো যদি তেওঁ নেক ব্যক্তি হয় তেন্তে তোমালোকে তেওঁক কল্যাণৰ দিশত লৈ গৈ আছা, আৰু যদি তেওঁ বেলেগ
কিবা হয় তেন্তে তোমালোকে নিজৰ কান্ধৰ পৰা অকল্যাণ দূৰ কৰিলা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত নিৰ্দেশ দিছে যে, মুৰ্দা ব্যক্তিৰ কাফন দাফন আৰু জানাযাৰ ক্ষেত্ৰত খৰখেদা কৰিব লাগে। কিয়নো যদি মুৰ্দা ব্যক্তিজন নেক ব্যক্তি হয়, তেন্তে তেওঁক তোমালোকে কল্যাণৰ প্ৰতি তথা কবৰত পাবলগীয়া নিয়ামতৰ প্ৰতি অগ্ৰসৰ কৰি আছা। আনহাতে যদি ব্যক্তিজন ইয়াৰ বিপৰীত হয়, তেন্তে তোমালোকে নিজৰ কান্ধৰ পৰা অকল্যাণহে দূৰ কৰিবা।

http://www.sunnah.global/hadeeth/as/show/3109